**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-01-2025 **Time :** 1845 Hrs.

## Assamese Evening Bulletin
## Headlines
-------------

১। ৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ বাবে ৰাজ্যৰ বিভিন্ন স্থানত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ। গুৱাহাটীত কাইলৈ প্ৰাক্-গণৰাজ্য দিৱসৰ বিশেষ কুচকাৱাজৰ আয়োজন।

২। গণৰাজ্য দিৱসৰ পূৰ্ব-সন্ধিয়া কাইলৈ সন্ধিয়া ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ দেশবাসীক সম্বোধন।

৩। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ জাপানৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ উপমন্ত্ৰীগৰাকীক অসমৰ যুৱ আৰু দক্ষ কৰ্ম শক্তিক জাপানত কাম কৰাৰ সুযোগ প্ৰদানৰ আহ্বান।

৪। সমগ্ৰ দেশজুৰি আজি ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস পালন। অসমতো বিভিন্ন কাৰ্যসূচী ৰূপায়ণ।

*আৰু*

৫। দেশৰ ভোটদাতাৰ সংখ্যা ১০০ কোটি হোৱাৰ পৰিপ্ৰেক্ষিতত কাইলৈ ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ বিশেষ আয়োজন।

০০০০০০০

৭৬ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ বাবে ৰাজ্যৰ বিভিন্ন স্থানত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। গণৰাজ্য দিৱসৰ সময়ছোৱাত যাতে কোনোধৰণৰ কূটাঘাতমূলক ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা গঢ়ি তুলিছে। গণৰাজ্য দিৱসৰ পেৰেডৰ বাবেও ইতিমধ্যে অনুশীলন সম্পূৰ্ণ হৈছে। পূৰ্ব নিৰ্ধাৰিত ঘোষণা অনুসৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইবাৰ ডিব্ৰুগড়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। ডিব্ৰুগড়ত প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় গণৰাজ্য দিৱস উদযাপনৰ বাবে সমগ্ৰ চহৰখনেই সুন্দৰভাৱে সজাই-পৰাই তোলা হৈছে। ইপিনে, খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসালয় খেলপথাৰত হ'বলগীয়া কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পতাকা উত্তোলন কৰিব। ইয়াৰ বাবে গুৱাহাটী মহানগৰীত নিৰাপত্তা ব্যৱস্থাকে ধৰি যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। গুৱাহাটী মহানগৰীৰ গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ সামগ্ৰিক ব্যৱস্থাৰ বুজ লৈ আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে আজি এনেদৰে কয়—

*(বাইট)*

গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি আজি কটন বিশ্ববিদ্যালয় শিক্ষক সন্থা, কৰ্মচাৰী সন্থা আৰু ছাত্ৰ সমাজৰ উদ্যোগত তথা পাণবজাৰ আৰক্ষী থানা আৰু গুৱাহাটী পৌৰ নিগমৰ সহযোগত কটন বিশ্ববিদ্যালয় আৰু নেহৰু উদ্যানৰ সন্মুখত স্বচ্ছতা অভিযান চলোৱা হয়।

চিৰাং জিলাতো গণৰাজ্য দিৱসৰ ব্যাপক প্ৰস্তুতি চলিছে। জিলাখনৰ কাজল গাঁৱৰ পেৰেড গ্ৰাউণ্ডত গণৰাজ্য দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হ'ব। পেৰেডৰ অনুশীলন পৰ্যবেক্ষণ কৰি জিলাখনৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ড০ ৰশ্মিৰেখা শৰ্মাই আজি সংবাদ মাধ্যমৰ আগত কয়, যে চিৰাং জিলা প্ৰশাসনৰ উদ্যোগত গণৰাজ্য দিৱসৰ পেৰেড কাৰ্যসূচীত আৰক্ষী, সশস্ত্ৰ সীমা বাহিনীৰ উপৰি বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ ১৪টা

দল সাজু কৰি তোলা হৈছে। গণৰাজ্য দিৱসৰ পৰিপ্ৰেক্ষিতত ভাৰত-ভূটান সীমান্ত এলেকাকে ধৰি জিলাখনত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

বৰপেটা জিলাত গণৰাজ্য দিৱসৰ অংশ হিচাপে হ'বলগীয়া মাৰ্চপাষ্টৰ বাবে অসম আৰক্ষীৰ বিভিন্ন বাহিনীৰ লগতে শিক্ষানুষ্ঠানৰ এন চি চিৰ কেডেটসকলে আখৰা অব্যাহত ৰাখিছে। বৰপেটা জিলাৰ পৌৰ সভাৰ খেলপথাৰত আয়োজিত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচাই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। অনুষ্ঠানত চৰকাৰৰ বিভিন্ন বিভাগসমূহেও নিজ নিজ আঁচনি ৰূপায়ণ কাৰ্যাৱলী প্ৰদৰ্শন কৰিব।

০০০০০০০

গণৰাজ্য দিৱসৰ প্ৰস্তুতি হিচাপে অসম আৰক্ষীয়ে গুৱাহাটীৰ লতাশিল আৰু পানবজাৰ অঞ্চলৰ বিভিন্ন পথেৰে কাইলৈ বিয়লি প্ৰাক্-গণৰাজ্য দিৱসৰ বিশেষ কুচকাৱাজৰ আয়োজন কৰিছে। কুচকাৱাজৰ এই সময়ছোৱাত যান-বাহন চলাচলৰ ক্ষেত্ৰত কিছু সালসলনি ঘটোৱা হৈছে। সেই অনুসৰি লতাশিল খেলপথাৰৰ পৰা কুচকাৱাজ আৰম্ভ হোৱাৰ পাছত এম জি পথেৰে ভৰলুমুখৰ পৰা অহা সকলো বাহনে তাৰকাগৃহ পইণ্ট অভিমুখে যাব লাগিব। কুচকাৱাজে তৈয়বুল্লা পথ অতিক্ৰম কৰাৰ পাছত এই বাধা নাথাকিব। কুচকাৱাজ জিলা পুঁথিভৰাল অভিমুলখে অগ্ৰসৰ হোৱাৰ পাছত এ টি ৰোডৰ পৰা জি এন বি ৰোডেৰে পানবজাৰলৈ অহা বাহনসমূহ এ আৰ বি পথ হৈ আৰক্ষী আয়ুক্ত পইণ্টৰ দিশে যাব পাৰিব। কে এল বি পথেৰে কুচকাৱাজ অগ্ৰসৰ হোৱাৰ সময়ত টি চি পইণ্টৰ দিশৰ পৰা জি এন বি পথেৰে অহা বাহনসমূহে জিলা পুঁথিভৰাল পইণ্টত দিশ সলনি কৰি ৰিজাৰ্ভ বেংকৰ দিশে যাব পাৰিব। ভৰলুমুখৰ ফালৰ পৰা অহা বাহনসমূহৰ দিশ কটন কলেজিয়েট পথত সলনি কৰি এইছ বি পথেৰে যাব পাৰিব। জিলা পুঁথিভৰালৰ দিশৰ পৰা অহা বাহনসমূহ এইছ বি পথেৰে আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ৰ দিশে যাব পাৰিব। আনহাতে, ৰাজভৱন-উজান বজাৰৰ পৰা অহা বাহনসমূহে তাৰকাগৃহ পইণ্টত গতিপথ সলাই লেম ৰোড হৈ আমবাৰীৰ দিশে যাব পাৰিব।

০০০০০০০

গণৰাজ্য দিৱসৰ পূৰ্ব সন্ধিয়া ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ সন্ধিয়া ৭ বজাত ৰাষ্ট্ৰক সম্বোধি ভাষণ দিব। ৰাষ্ট্ৰপতিয়ে হিন্দীত দিয়া এই ভাষণৰ পাছতে ইয়াৰ ইংৰাজী ভাষান্তৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীৰ আটাইবোৰ কেন্দ্ৰই ৰাষ্ট্ৰপতিৰ এই ভাষণ প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰাষ্ট্ৰপতিৰ ভাষণৰ অসমীয়া ভাষান্তৰ নিশা চাৰে ৯ বজাত প্ৰচাৰ কৰিব। ৰাষ্ট্ৰপতিৰ এই ভাষণৰ পৰিপ্ৰেক্ষিতত কাইলৈ সন্ধিয়া সাত বাজি ১০ মিনিটত প্ৰচাৰিত হ'বলগীয়া অসমীয়া বাতৰি নিশা সাত বাজি ৫০ মিনিটত প্ৰচাৰ কৰা হ'ব।

৭৬ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পৰহিলৈ দেওবাৰে পুৱা ৯ বজাত ৰাজ্যবাসীক উদ্দেশি ভাষণ দিব। ৰাজ্যপালৰ ভাষণৰ পৰিপ্ৰেক্ষিতত আমাৰ পুৱা ৯ বজাৰ আঞ্চলিক বাতৰি ৮ বাজি ৪৫ মিনিটত প্ৰচাৰিত হ'ব।

আকাশবাণীয়ে পৰহিলৈ ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ নতুন দিল্লীৰ কৰ্তব্য পথত হ'বলগীয়া কুচকাৱাজ আৰু প্ৰতীকপট শোভাযাত্ৰা অনুষ্ঠান পুৱা ৯ বাজি ৪০ মিনিটৰ পৰা পোনপটীয়াকৈ প্ৰচাৰ কৰিব। আনহাতে ২৬ জানুৱাৰীৰ দিনা ৰাজ্যখনত অনুষ্ঠিত গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ ভেটিত আকাশবাণী গুৱাহাটী কেন্দ্ৰই নিশা ৭ বাজি ৪৫ মিনিটত এখন বিশেষ অনাতাঁৰ প্ৰতিবেদন প্ৰচাৰ কৰিব। ইয়াৰ বাবে দেওবাৰে নিশা সাত বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া **সংবাদ চলন্তিকা** প্ৰচাৰ কৰা নহয়।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তেওঁৰ জাপান ভ্ৰমণৰ তৃতীয় দিনা দেশখনৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ সংসদীয় উপমন্ত্ৰী আকিকু ইকুইনাকে ধৰি কেইবাগৰাকীও শীৰ্ষ উদ্যোগপতিক সাক্ষাৎ কৰে। ড০ শৰ্মাই সংসদীয় উপমন্ত্ৰীগৰাকীৰ সৈতে হোৱা সাক্ষাৎকালত ভাৰত তথা অসমৰ যুৱ আৰু দক্ষ কৰ্ম শক্তিক জাপানত কাম কৰাৰ সুযোগ প্ৰদান সন্দৰ্ভত মত বিনিময় কৰে। ইয়াৰ পাছত মুখ্যমন্ত্ৰীয়ে দেশখনৰ এটা আগশাৰীৰ বিত্তিয় প্ৰতিষ্ঠান, মিঝুহু ছিকিউৰিটিজ ইণ্ডিয়াৰ মুখ্য কাৰ্যবাহী বিষয়াৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত অসমৰ কোম্পানীসমূহলৈ ক্ৰেডিট সুবিধা প্ৰদান আৰু জাপানী কোম্পানীৰ অসমত বিনিয়োগৰ ধাৰাবাহিকতা নিশ্চিত কৰাৰ সন্দৰ্ভত আলোচনা কৰা হয়। ড০ শৰ্মাই জাপানী বৈদ্যুতিক অভিযান্ত্ৰিক প্ৰতিষ্ঠান য়'ক'গাৱাৰ উপাধ্যক্ষ য়োছিয়াকি আছাকুৰাৰ সৈতেও বৈঠকত মিলিত হয়। নুমলীগড় শোধনাগাৰ আৰু ভাৰতীয় তৈল নিগম লিমিটেডৰ সৈতে সহযোগিতামূলকভাৱে অসমত কাম কৰি থকা এই প্ৰতিষ্ঠানটোক ৰাজ্যৰ ক্ৰমবৰ্ধমান বৈদ্যুতিক আৰু শক্তিখণ্ডক সমৰ্থন আগবঢ়াবলৈ মুখ্যমন্ত্ৰী শৰ্মাই অনুৰোধ জনায়। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত মুখ্যমন্ত্ৰীয়ে টকিঅ' ইলেকট্ৰন নামৰ প্ৰতিষ্ঠানটোৰ কাৰ্যবাহী উপাধ্যক্ষক সাক্ষাৎ কৰে।

অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণৰ বাবে মুখ্যমন্ত্ৰীয়ে জাপানৰ বিনিয়োগকাৰীসকলক আমন্ত্ৰণ জনায়।

০০০০০

সমগ্ৰ দেশজুৰি আজি ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস পালন কৰা হৈছে। সমাজত কন্যা শিশুসকলৰ অধিকাৰ, শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষা সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে ২৪ জানুৱাৰীত এই দিৱস পালন কৰি অহা হৈছে। চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় কন্যা শিশু দিৱসৰ মূল মন্ত্ৰ হৈছে- **কন্যাসকলক উজ্বল ভৱিষ্যতৰ বাবে সৱল কৰি তোলা**। অসমতো আজি ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ উদ্যোগত আজি গুৱাহাটীৰ নেডফী হাউচ প্ৰেক্ষাগৃহত ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস পালন কৰা হয়। মৰিগাঁও জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত চহৰৰ পৰিতৰা হাট প্ৰেক্ষাগৃহত এই উপলক্ষে এখন সভা অনুষ্ঠিত হয়। মৰিগাঁও জিলাৰ অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ তপন শইকীয়াই সভাপতিত্ব কৰা এই সভাত মৰিগাঁও আদালতৰ জ্যেষ্ঠ অধিবক্তা অলকানন্দ কাকতিয়ে ভ্ৰূণ হত্যাৰ অপৰাধ, কন্যা সন্তান সুৰক্ষা বিষয়ক আইন সন্দৰ্ভত ভাষণ দিয়ে। জিলাখনত পুৱাৰ ভাগত কেইবাখনো শিক্ষানুষ্ঠানৰ ছাত্ৰ-নাৰ্ছ আৰু স্বাস্থ্য বিভাগৰ কৰ্মীয়ে **বেটি বচাও, বেটি পঢ়াও, ভ্ৰূণ হত্যা বন্ধ কৰক** আদি শ্লোগন দি হাতে হাতে বেনাৰ লৈ শোভাযাত্ৰা উলিয়াই। দক্ষিণ শালমাৰা মানকাচাৰ জিলাতো আজি জিলা প্ৰশাসনৰ উদ্যোগত ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস পালন কৰা হয়। এই উপলক্ষে হাটশিঙিমাৰি প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত বিধায়ক আমিনুল ইছলাম আৰু জিলা আয়ুক্তৰ উপৰি জিলা আইনসেৱা প্ৰাধীকাৰী, জিলা সত্ৰ ন্যায়াধীশে কন্যা সন্তানক আত্মৰক্ষাৰ লগতে সৱলীকৰণৰ বিষয়ত আলোচনা কৰা হয়। দৰং জিলাত এই উপলক্ষে আয়োজিত সজাগতা সভাত কন্যা সন্তানক সুশিক্ষিত কৰি শক্তিশালী ৰাষ্ট্ৰ নিৰ্মাণত গুৰুত্ব আৰোপ কৰা হয়। এই অনুষ্ঠানতে শেহতীয়াকৈ ছিংগাপুৰত অনুষ্ঠিত এছিয়ান যোগ ক্ৰীড়া চেম্পিয়নশ্বিপত দেশক প্ৰতিনিধিত্ব কৰি সোণৰ পদক লাভ কৰা মণ্ডলদৈৰ দৃষ্ণা জে আৰ ছন্দক সম্বৰ্ধনা জনোৱা হয়।

০০০০০০০

শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত শিক্ষকৰ প্ৰহাৰত এজন ছাত্ৰৰ মৃত্যু হোৱাৰ ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। আমাৰ সংবাদদাতাই জনোৱা মতে ঢেকিয়াজুলিৰ চিৰাজুলিৰ নিউ হৰাইজন নামৰ বিদ্যালয়খনৰ শিক্ষক উত্তম বক্সি মহন্তৰ প্ৰহাৰত বিদ্যালয়খনত সপ্তম শ্ৰেণীত

অধ্যয়নৰত ছাত্ৰ অমন মহাতো গুৰুতৰভাৱে আহত হৈছিল। চিকিৎসাধীন অৱস্থাত আজি ছাত্ৰজনৰ মৃত্যু হয়। ঘটনাৰ পৰিপ্ৰেক্ষিতত শিক্ষকজনক আৰক্ষীয়ে ইতিমধ্যে গ্ৰেপ্তাৰ কৰিছে।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত অসম ৰাজ্যিক শিক্ষা পৰিষদৰ মণ্ডল এক আৰু দুইৰ পৰীক্ষা নিয়ন্ত্ৰক নয়নজ্যোতি শৰ্মা আৰু ৰঞ্জন কুমাৰ দাসৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। সমাগত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত হ'বলগীয়া এই আলোচনাৰ আঁত ধৰিব আকাশবাণীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

0000000

মৰিগাঁৱত স্বেচ্ছাসেৱী সংস্থা সাৰথিৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত চাৰিদিনীয়া কাৰ্যসূচীৰে ষষ্ঠদশ মৰিগাঁও গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। বিশিষ্ট সাংবাদিক, গল্পকাৰ মনোজ কুমাৰ গোস্বামীয়ে আজি আনুষ্ঠানিকভাৱে এই গ্ৰন্থমেলা মুকলি কৰে। উদ্বোধনী অনুষ্ঠানত ভাষণ দি শ্ৰীগোস্বামীয়ে ডিজিটেল মাধ্যমৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি সুস্থ গ্ৰন্থ সংস্কৃতি গঢ়ি তুলিবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। তেওঁ লগতে কয় যে এখন সচেতন পাঠক সমাজ অবিহনে সাহিত্য জীয়াই থাকিব নোৱাৰে। অনুষ্ঠানত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

0000000

সমগ্ৰ দেশতে কাইলৈ পঞ্চদশ ৰাষ্ট্ৰীয় ভোটদাতা দিৱস পালন কৰা হ'ব। দেশত মুঠ ভোটদাতাৰ সংখ্যা প্ৰায় ১০০ কোটি হোৱাৰ পৰিপ্ৰেক্ষিতত এইবাৰ ৰাষ্ট্ৰীয় ভোটদাতা দিৱস বিশেষভাৱে পালন কৰা হ'ব। এই বছৰৰ ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ মূলমন্ত্ৰ হৈছে **ভোটদানৰ দৰে একোৱেই নহয়, মই নিশ্চিতভাৱে ভোটদান কৰিম**। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ নতুন দিল্লীত ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ মূল কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত আইন আৰু ন্যায় বিভাগৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল সন্মানীয় অতিথি হিচাপে উপস্থিত থকাৰ লগতে মুখ্য নিৰ্বাচন আয়ুক্ত আৰু আন নিৰ্বাচন আয়ুক্তসকলে অংশগ্ৰহণ কৰিব।

ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ পূৰ্ব-সন্ধিয়া দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে আজি নিশা ৮ বজাত আকাশবাণীযোগে বিশেষ বাৰ্তা প্ৰচাৰ কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি নিশা ৮ বজাৰ আমাৰ মুখ্য বাতৰি প্ৰচাৰ কৰা নহয়।

সমগ্ৰ দেশতে কাইলৈ ৰাষ্ট্ৰীয় ভোটদাতা দিৱস পালন কৰা হ'ব যদিও চৰকাৰৰ নিৰ্দেশ অনুসৰি আজিও ৰাজ্যৰ কোনো কোনো অংশত এই দিৱস পালন কৰা হয়। গুৱাহাটীৰ জনতা ভৱনৰ প্ৰাঙ্গনত আজি ৰাষ্ট্ৰীয় ভোটাৰ দিৱসৰ কাৰ্যসূচীত জনজাতি পৰিক্ৰমা বিভাগৰ প্ৰধান সম্পাদক মুকেশ চন্দ্ৰ চাহুৱে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। বৰপেটা জিলাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ত জিলা নিৰ্বাচন বিভাগে আয়োজন কৰা এই দিৱসৰ কাৰ্যসূচীত ভোটাধিকাৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়।

00000

মাজুলীৰ ফুলনী অঞ্চলৰ শংকৰদেৱ শিশু নিকেতনৰ ২৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে উদযাপন কৰা হৈছে। ১৯৯৮ চনত স্থাপন হোৱা এই বিদ্যালয়খনে অঞ্চলটোৰ শৈক্ষিক বিকাশত বিশেষ ভূমিকা পালন কৰি আহিছে। প্ৰতিষ্ঠা দিৱসৰ আজি প্ৰথম দিনা বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ হোৱা

কাৰ্যসূচীত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আৰু প্ৰধান আচাৰ্যকে ধৰি ২৫জন ব্যক্তিয়ে ২৭খন পতাকা উত্তোলন কৰে। বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰোহিত শৰ্মাই প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি প্ৰকাশ কৰা প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে। কাইলৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ ৰচিত কেলিগোপাল নাটৰ আধাৰত শ্ৰীশ্ৰী কৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা পৰিৱেশন কৰা হ'ব।

০০০০০০০

মাজুলী কৃষি বিভাগৰ উদ্যোগত উদ্যান শস্য আৰু খাদ্য প্ৰসংস্কৰণ সঞ্চালকালয়ৰ ৰাষ্ট্ৰীয় মৌ পালন আৰু মৌ অভিযান আঁচনিৰ অধীনত  গড়মূৰৰ সৰুসত্ৰ প্ৰেক্ষাগৃহত দুদিনীয়াকৈ বৈজ্ঞানিকভাৱে মৌ পালনৰ প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। এই কাৰ্যসূচীত আজি প্ৰথম দিনা অতিৰিক্ত জিলা আয়ুক্ত, জিলা কৃষি বিষয়া আৰু কৃষি উন্নয়ন বিষয়া উপস্থিত থাকে। কৰ্মশালাত কেইবাজনো অভিজ্ঞ মৌ পালক আৰু আগ্ৰহী কৃষকে অংশগ্ৰহণ কৰিছে।

০০০০০০০

অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ উদ্যোগত আৰু শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান আশ্বাসন কোষৰ সহযোগত আজি মহাবিদ্যালয়খনত এখন ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত হয়। বহনক্ষম উন্নয়ন আৰু পৰিৱেশ বিষয়ক এই কৰ্মশালাখনত বিদ্যালয় আৰু মহাবিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলক পৰিৱেশ সংৰক্ষণ, পৰিৱেশ প্ৰদূষণ, গোলকীয় উষ্ণতা বৃদ্ধি আদি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত সজাগ আৰু সচেতন কৰি তোলাৰ প্ৰয়াস কৰা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অধ্যক্ষ ড০ অৰূপ মিশ্ৰই পৰিৱেশ সংৰক্ষণৰ সুক্ষ্ম দিশ সন্দৰ্ভত আলোচনা কৰাৰ লগতে এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক সজাগ হ'বলৈ আহ্বান জনায়।

০০০০০০০

**সমাপ্ত**